আল্লাহৰ দৃষ্টিত আটাইতকৈ পছন্দনীয় আমল কোনটো? তেখেতে ক'লেঃ "সময়মতে নামাজ আদায় কৰা।" তেওঁ ক'লেঃ ইয়াৰ পিছত কোনটো? তেখেতে ক'লেঃ "পিতৃ-মাতৃৰ সৈতে সদ্ব্যৱহাৰ কৰা।" তেওঁ ক'লেঃ তাৰ পিছত কোনটো? তেখেতে ক'লেঃ "আল্লাহৰ পথত জিহাদ কৰা।

আব্দুল্লাহ বিন মাছউদ -ৰাদ্বিয়াল্লাহু আনহু-ৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিলোঁ- আল্লাহৰ দৃষ্টিত আটাইতকৈ পছন্দনীয় আমল কোনটো? তেখেতে ক'লেঃ "সময়মতে নামাজ আদায় কৰা।" তেওঁ ক'লেঃ ইয়াৰ পিছত কোনটো?
তেখেতে ক'লেঃ "পিতৃ-মাতৃৰ সৈতে সদ্ব্যৱহাৰ কৰা।" তেওঁ ক'লেঃ তাৰ পিছত কোনটো?
তেখেতে ক'লেঃ "আল্লাহৰ পথত জিহাদ কৰা।" তেওঁ কৈছেঃ তেখেতে মোক এইখিনি কথা কৈছে, মই
যদি তেখেতক আৰু সুধিলোঁহেঁতেন তেন্তে তেখেতে আৰু ক'লেহেঁতেন।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামক সোধা হৈছে যে, আল্লাহৰ দৃষ্টিত আটাইতকৈ পছন্দনীয় আমল কোনটো? ইয়াৰ উত্তৰত তেখেতে কৈছেঃ চৰীয়তে নিৰ্ধাৰণ কৰা সময়ত ফৰজ নামাজসমূহ আদায় কৰা। ইয়াৰ পিছত হৈছে, পিতৃ-মাতৃৰ সৈতে সদ্ব্যৱহাৰ কৰা, তেওঁলোকৰ প্ৰাপ্য অধিকাৰ যথাযথভাৱে পালন কৰা, তেওঁলোকৰ অবাধ্যতা নকৰা। ইয়াৰ পিছত হৈছে আল্লাহৰ পতাকা সুউচ্চ ৰাখিবলৈ আল্লাহৰ পথত যুদ্ধ কৰা, তথা ইছলাম আৰু মুছলিমৰ হৈ প্ৰতিৰক্ষা কৰা আৰু ইছলামী নিদৰ্শনাৱলীৰ হিফাজত কৰা। এই প্ৰতিৰক্ষা সম্পদৰ দ্বাৰাও কৰিব লাগিব আৰু সশৰীৰেও কৰিব লাগিব। ইবনে মাছঊদ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ তেখেতে মোক এইবোৰ আমল সম্পৰ্কে জনাইছে। যদি মই পুনৰ ক'লোহেঁতেন যে, ইয়াৰ পিছত কোনটো? তেন্তে তেখেতে আৰু ক'লেহেঁতেন।

http://www.sunnah.global/hadeeth/as/show/3365